

হাঁহো-নাহাঁহো অভিব্যক্তিৰে মুখত ফুটাই তোলা এক ৰহস্যময়ী হাঁহিৰে ৭৭×৫৩ চেণ্টিমিটাৰ ফ্ৰেমত আবদ্ধ কেনভাছত তেল ৰঙেৰে অঁকা এখন চিত্ৰই যোৱা পাঁচশ বছৰ ধৰি সমগ্ৰ বিশ্বৰ চিত্ৰ ৰসিকক একেই উন্মাদনাৰে মন্ত্ৰমুগ্ধ কৰি ৰাখিছে। সৃষ্টিয়ে যে কেতিয়াবা স্ৰষ্টাকো অতিক্ৰমি যায় তাৰেই নিদৰ্শন এই কেনভাছ। অফুৰন্ত প্ৰতিভাধৰ শিল্পী লিঅ'নাৰ্ডো-ডা-ভিঞ্চিক সেয়েহে কোনোবাই নাজানিলেও তেওঁৰ সৃষ্টি 'মনালিছা'ক নজনা মানুহ হয়তো পৃথিৱীত কমেই ওলাব। কোনো চিত্ৰকৰ্মৰ বাবে যদি মানুহে যুগ যুগ ধৰি একেই ব্যাকুলতাৰে এবাৰলৈ হ'লেও দৰ্শন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে সেয়া হ'ল মনালিছা। মনালিছাক লৈয়েই আজিলৈ লিখা হৈছে সৰ্বাধিক লেখা, গোৱা হৈছে সৰ্বাধিক গান। এই অভাৱনীয় খ্যাতিৰ বাবেই বহুসময়ত মনালিছা কাৰোবাৰ ঈৰ্ষাৰ বলিও হ'বলগাত পৰিছে। বহুসময়ত ই কোনোবা লোভী, লুণ্ঠনকাৰীৰ হাতত পৰি বহুদিন নিৰুদ্দেশ হৈ আছে যদিও বহু ঘাত-প্ৰতিঘাত অতিক্ৰমি পুনৰ উভতি আহিছে মানুহৰ মাজলৈ। বৰ্তমান সময়ত এই বিশ্বখ্যাত চিত্ৰকৰ্মখনিয়ে অতি সুৰক্ষা আবেষ্টনীত 'বুলেটপ্ৰুফ' আধাৰৰ মাজত সংৰক্ষিত হৈ আছে পেৰিছৰ 'ল্যুভ' সংগ্ৰহালয়ত।


মনালিছাৰ প্ৰতি অনুভূত হোৱা এই অৰ্দ্ধ-সহস্ৰাব্দজোৰা আকৰ্ষণে মানুহক স্বাভাৱিকতে অনুসন্ধিৎসু কৰি তোলে ছবিৰ নাৰীগৰাকীৰ প্ৰকৃত পৰিচয় জানিবলৈ। কেনভাছত অমৰ হৈ ৰোৱা মনালিছাৰ প্ৰতিটো শৰীৰী বিভংগই এটা কথা নিশ্চিত কৰে যে কেৱল কল্পনাক আধাৰ হিচাপে লৈ এনে এখন নিখুঁত, অসাধাৰণ চিত্ৰ অংকন কৰাটো কেতিয়াও সম্ভৱ নহয়। ভিঞ্চিৰ নিটোল হাতৰ অসাধাৰণ স্পৰ্শত যদিওবা এক সাধাৰণ নাৰীয়ে অসাধাৰণ ৰূপ পাইছিল, তথাপি এই নাৰীৰ







# মনালিছাৰ হাঁহি

## অৰ্দ্ধ-সহস্ৰাব্দৰ ৰহস্যৰ ওৰণি আঁতৰিব !





▼ ছেইণ্ট উৰ্চ্ছুলা কনভেণ্টত 'মনালিছাৰূপী' লিছা ঘেৰাৰডিনিৰ সন্ধানত...



সাময়িকী | জিতুমণি পাঠক

যে অস্তিত্ব মিছা নাছিল, সেই লৈ কাৰো দ্বিমত নাই। কিন্তু সেই নাৰীগৰাকীনো কোন সেই লৈ বিদ্বৎ সমাজ দ্বিধা বিভক্ত। মনালিছাৰ খ্যাতিয়ে ভিঞ্চিৰ সেই মডেলগৰাকীক ভিন্ন সময়ত ভিন্ন নামেৰে উপস্থাপিত কৰাইছে; আৰু ইয়াৰ ফলত ইজাবেল, চিচিলিয়া, পেচিফিকা, কেটৰিণা আদি অলেখ নাৰীৰ নাম সোমাই পৰিছে এই তালিকাত। কিন্তু এই সকলোবোৰৰ উৰ্দ্ধত আছে ফ্ল'ৰেন্স চহৰৰ এগৰাকী বিখ্যাত ব্যৱসায়ীৰ পত্নীৰ নাম। ফ্ৰান্সিছকো ডেল গিকোণ্ডা নামৰ এই ব্যৱসায়ীগৰাকীৰ তেওঁ আছিল তৃতীয় পত্নী। নাম 'লা-গিকোণ্ডা' বা 'লিছা ঘেৰাৰডিনি'।

মনালিছা ছবিখনৰ প্ৰতি ভিঞ্চিৰ আছিল অসাধাৰণ মোহ। ফ্ৰান্সৰ সম্ৰাটে ইয়াৰ বাবে তেওঁক দিব খোজা যিকোনো অৰ্থ মূল্যকো কেৱল চিত্ৰখনৰ প্ৰতি গভীৰ অনুৰাগৰ বাবেই তেওঁ নেওচা দিছিল। গোটেই জীৱনজুৰি তেওঁ ছবিখন বুকুৰ মাজত সাবটি ৰাখিছিল। কোৱা হয় ভিঞ্চিয়ে ১৫০৩ৰপৰা ১৫০৭ চনৰ ভিতৰত চিত্ৰখন আঁকি উলিয়াইছিল। ভিঞ্চিৰ মতে, মনালিছা তেওঁৰ অসম্পূৰ্ণ ছবি। মনালিছাৰ মাজত সন্ধান কৰা ৰহস্যময়তা যেন ভিঞ্চিৰ দৃষ্টিত কেতিয়াও শেষ নহ'ব। জীৱনৰ অন্তিম সময়ছোৱাত সেয়েহে তেওঁ আক্ষেপ কৰি গৈছিল, 'জীৱনত মাথোঁ এখন ছবিয়েই মই কেতিয়াও আঁকি শেষ কৰি উলিয়াব নোৱাৰিলো।' কোৱা নিষ্প্ৰয়োজন, সেয়া আছিল—মনালিছা।

মনালিছাৰ প্ৰতি সমগ্ৰ মানৱ জাতিৰ সৃষ্টি হোৱা এই শতিকাজোৰা মোহ নিঃসন্দেহে ঈৰ্ষাযোগ্য। তাতোকৈ ঈৰ্ষাযোগ্য সেই নাৰী, যি শিল্পীৰ কল্পনাৰ সুন্দৰী হৈ ধৰা দিছিল মডেল হিচাপে ভিঞ্চিৰ সন্মুখত, যাৰ ৰহস্যময়ী হাঁহিৰ দুৰ্বোধ্যতা আজিও হৈ ৰৈছে অক্ষত। মনালিছাৰ সৈতে লিছা ঘেৰাৰডিনিৰ নাম বাৰে বাৰে উচ্চাৰিত হয় যদিও ভিঞ্চিৰ মডেলগৰাকী প্ৰকৃততে তেওঁ হয় নে নহয়, সেয়া মনালিছাৰ হাঁহিটোৰ দৰে আজিও সাঁথৰ হৈয়েই আছে। কিন্তু সেই সাঁথৰ যে আৰু অধিক দিনলৈ দুৰ্বোধ্য হৈ নাথাকে, তাৰ ইংগিত দিলে অতি সম্প্ৰতি এটি পুৰাতাত্ত্বিক দলে। মনালিছাৰ সন্ধান ৰত হোৱা এই দলটিয়ে মনালিছাক বিচাৰি উলিয়াবলৈ হাতত ল'লে এক অভিনৱ প্ৰচেষ্টা। পোনপ্ৰথমে তেওঁলোকে প্ৰয়াস কৰিলে লিছা ঘেৰাৰডিনিৰ শৱদেহৰ অস্তিত্ব বিচাৰি উলিয়াবলৈ। ইতিহাসৰ বহুতো নথি-পত্ৰ খুঁচৰি জানিব পৰা গ'ল স্বামী ফ্ৰান্সিছকো ডেল গিকোণ্ডাৰ মৃত্যুৰ পিছত লি ঘেৰাৰডিনিয়ে সাংসাৰিক ব্যস্ততাৰপৰা নিজকে মুক্ত কৰি এগৰাকী সন্ন্যাসিনী হিচাপে জনসাধাৰণৰ সেৱাত আত্মনিয়োগ কৰিছিল। ইতিহাসৰ তথ্যই আৰু এক এনে ইংগিত কৰে যে লিছা ঘেৰাৰডিনিৰ যেতিয়া মৃত্যু ঘটিছিল, তেতিয়া তেওঁৰ শৱদেহ 'ছেইণ্ট উৰ্চ্ছুলা কনভেণ্ট'ত সমাধিস্থ কৰা হৈছিল। প্ৰকৃত মনালিছাৰ বিষয়ে ইতিহাসে জনাব পৰা তথ্য মাথোঁ এইখিনিয়েই আছিল। কিন্তু ইয়াকে আধাৰ হিচাপে লৈ ছিলভান' ভিনছেটিৰ উদ্যোগত এটি পুৰাতাত্ত্বিক দলে তেওঁলোকৰ অনুসন্ধান আৰম্ভ কৰে। ছেইণ্ট উৰ্চ্ছুলা কনভেণ্টৰপৰা ইতিমধ্যে তেওঁলোকে লিছা ঘেৰাৰডিনিৰ শৱদেহৰ বিভিন্ন অংশ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ মতে, এয়া এক বৃহৎ সাফল্য। ক্ৰমাৎ যেন তেওঁলোক কায চাপিবলৈ সক্ষম হৈছে লিঅ'নাৰ্ডো-ডা-ভিঞ্চিৰ সেই মডেলগৰাকীৰ। তেওঁলোক মাত্ৰ এশ শতাংশই এতিয়া নিশ্চিত হ'ব বিচাৰিছে সেই শৱদেহ লিছা ঘেৰাৰডিনিৰেই বুলি। এই ক্ষেত্ৰত পুৰাতাত্ত্বিক দলটোক সহায় কৰিবলৈ আগবাঢ়ি আহিছে জেনেটিক বিজ্ঞানীসকল। লিছা ঘেৰাৰডিনিৰ নিশ্চিত বংশধৰ বুলি জানিব পৰা দুগৰাকী ব্যক্তিৰপৰা ইতিমধ্যে ডি এন এৰ নমুনা সংগ্ৰহ কৰা হৈছে। সেই নমুনাক মিলোৱা হ'ব ছেইণ্ট উৰ্চ্ছুলা কনভেণ্টত পোৱা শৱদেহৰ নমুনাৰ সৈতে। ভিনছেটিৰ মতে, যদি ডি এন এ টেষ্ট সফল হয়, তেন্তে ছেইণ্ট উৰ্চ্ছুলা কনভেণ্টত পোৱা শৱদেহ লিছা ঘেৰাৰডিনিৰ নহয় বুলি আৰু কোনো সন্দেহৰ থল নাথাকিব।

লিছা ঘেৰাৰডিনিৰ শৱদেহৰ প্ৰাপ্তিয়ে মনালিছাৰ মডেলগৰাকীৰ পৰিচয় উন্মোচিত কৰিব বুলি ক'ব নোৱাৰি, কিয়নো তেওঁ প্ৰকৃততে সেই বিখ্যাত চিত্ৰকৰ্মটিৰ মডেল আছিল নে নাছিল সেয়া আজিও এক বিতৰ্কিত বিষয়। কিন্তু ভিনছেটিৰ মতে শৱদেহটোৰ পৰিচয় নিশ্চিত কৰিব পাৰিলেই মনালিছাৰ সন্ধানৰ কাম আশী শতাংশ পূৰ্ণ হোৱা বুলি ক'ব পৰা যাব। শৱদেহটো লিছা ঘেৰাৰডিনিৰ বুলি নিশ্চিত হ'ব পাৰিলে ইয়াক অৰ্পণ কৰা হ'ব ফৰেণছিক বিজ্ঞানীসকলৰ হাতত। ফৰেণছিক বিজ্ঞানীৰ সাফল্যৰ ইতিহাস বৰ্তমান সময়ত কাৰো অজানা নহয়। বহুতো জটিলতকৈ জটিল বিষয়ৰ অপৰাধী চিনাক্তকৰণ বা অপৰাধৰ বলিসকলৰ পৰিচয় উদ্ধাৰ আদি কাম তেওঁলোকে বিজ্ঞানসন্মতভাৱে অতি সুন্দৰকৈ কৰি উলিয়াইছে। কেৱল লাওখোলা এটাৰপৰা মানৱৰ পূৰ্ণ মুখাৱয়ৱৰ তেওঁলোকে যি গঢ় দি তুলিছে তাত ভুলৰ সম্ভাৱনা মাত্ৰ দুইৰপৰা আঠ শতাংশ। সেয়েহে ভিনছেটি আশাবাদী যে ভিঞ্চিৰ মনালিছাগৰাকীনো কেনে আছিল সেয়া জানিবলৈ আৰু আমি বেছিদিন অপেক্ষা কৰিব নালাগিব। আৰ্ট হিষ্টৰিয়ানসকলে যাৰ পৰিচয় উদ্ধাৰ কৰিবলৈ প্ৰায় পাঁচশ বছৰ ব্যতিত কৰিলে, পুৰাতত্ত্ব, ডি এন এ আৰু ফৰেণছিক বিজ্ঞানৰ সহায়ত সেই ৰহস্য আজি আমাৰ সন্মুখপ্ৰায়। মাত্ৰ এতিয়া অপেক্ষা কেইটিমান দিনৰ। পাঁচশ বছৰীয়া অপেক্ষাৰ তুলনাত এই প্ৰতীক্ষা অৱশ্যেই নগণ্য। সামান্য ভুল-ক্ৰুটীৰে পাঁচশ বছৰ পূৰ্বৰ মডেলগৰাকী পুনৰ জীৱিত হৈ উঠিব আমাৰ আগত, যাক সন্মুখত লৈ হয়তো আমি আকৌ ৰহস্যভেদ কৰিবলৈ প্ৰয়াস কৰিব পাৰিম এক ৰহস্যময় দুৰ্বোধ্য হাঁহিৰ।